# আজান ফকীৰৰ জকিৰিত চুফী দৰ্শণ

**Abul Hussain, Research Scholar**
**Folklore Research Department, Gauhati University.**

আজান ফকীৰ  এজন ইছলাম ধৰ্ম প্ৰচাৰক চুফী সাধু আৰু কবি আছিল। তেওঁৰ আচল নাম শ্বাহ মীৰাণ। ইয়াৰ বাহিৰেও তেখেতক আজান পীৰ, হজৰত ছাহ মীৰাণ আৰু ছাহ মীলান নামেৰেও জনা যায়। মধ্য প্ৰাচ্যৰ প্ৰাণকেন্দ্ৰ জ্ঞান সাধনাৰ তীৰ্থভূমি ইৰাকৰ বাগদাদ চহৰৰ উপকন্ঠত সম্ভৱত ১৬১১ খৃষ্টাব্দত পিতৃ ছৈয়দ আউজ জাহানৰ ঔৰসত জন্ম গ্ৰহণ কৰে আজান ফকীৰ । তেওঁৰ ভাতৃ নবিক উদ্দিন, নবী পীৰ বা নবী চাহাব নামেৰে জনাজাত।

আজান ফকীৰে নিজৰ জন্মস্থান বাগদাদতেই প্ৰাথমিক শিক্ষা আৰু দৰ্শন শাস্ত্ৰত জ্ঞান অৰ্জন কৰি ইছলাম ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে অজান দেশলৈ যাত্ৰা কৰে। ভাতৃ নবী চাহাবক লগত লৈ প্ৰথমে আফগানিস্তানলৈ আহে আৰু তাৰ পিছত খাইবাৰ গিৰি পথেদি ভাৰতত সোমাই আজমীৰৰ প্ৰখ্যাত চুফী খাজামইনুদ্দিন চিস্তীৰ দৰ্গাহত কিছুদিন থাকি ভাতৃ নবী চাহাবক লগত লৈ গৌড় দেশৰ মাজেৰে কামৰূপলৈ আহি ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে হাজোৰ গৰুড়াচল পাহাৰৰ ওপৰত হজৰত গিয়াছুদ্দিন আউলিয়াৰ দৰ্গাহত থাকিবলৈ লয় । হাজোত কেইবা বছৰ থকাৰ পিছত ক্ৰমে উজাই আহি দিৰঙীৰ মাজেদি তিতেয়াৰ আহোম ৰজাৰ ৰাজধানী গড়গাৱলৈ যায় আৰু গড়গাৱৰ পৰা কিছু দূৰত চুণপোৰা গাৱত ভাতৃৰ সৈতে বসবাস কৰিবলৈ লয় । সেই সময়ত কিছুমান ধৰ্মবিৰোধী ৰীতি-নীতিত লিপ্ত থকা মুছলমানসকলৰ মাজত তেওঁ ইছলাম ধৰ্মৰ প্ৰাথমিক ধাৰণা সমূহ আৰু মৌলিক কৰ্তব্য সমূহ প্ৰচাৰ কৰে । ৰাইজৰ সহযোগত তেওঁ এটি মিছজিদ নিৰ্মান কৰে । সেই মছজিদত প্ৰথম আজান দি নামাজ আদায় কৰে। সেই বাবেই তেওঁক চুণপোৰা গাৱঁৰ মুছলমান ৰাইজে আজান ফকীৰ নাম দিয়ে । ৰংপুৰৰ খন্দকাৰ গাঁৱৰ ছৈয়দ উছমান গণীৰ জীয়েকক বিয়া পাতে । ছাহ খোৱাজ, ছাহ মীৰ কাচিম আৰু ছাহ মাচুম এই তিনিজন আছিল আজান ফকীৰৰ পুত্ৰ সন্তান।

তেওঁ গাৱে গাৱে ঘূৰি ইছলাম ধৰ্মৰ বাণী সমূহ প্ৰচাৰ কৰাৰ লগতে ইছলাম ধৰ্ম গ্ৰন্থ কোৰান শ্বৰীফক অসমীয়ালৈ অনুবাদ কৰি উলিয়ায়। জিকিৰ নামেৰে ভক্তিমূলক গীত কিছুমানো লিখি উলিয়াই আৰু সেবিলোৰত নিজেই সুৰ সংযোগ কৰি পৰিবেশন কৰে । জিকিৰত তেওঁ ইছলাম ধৰ্মৰ বাণীসমূহ বৰ্ণনা কৰাৰ লগতে বন্ধুত্ব আৰু ভাতৃত্ববোধৰ প্ৰয়োজনীয়তা দেখুৱায় । অসমীয়া ভাষা আয়ত্ব কৰি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ধৰ্মীয় সংস্কাৰেৰে বান্ধি থৈ যোৱা মুছলমানসকলক ইছলাম ধৰ্মীয় শিক্ষা দিবৰ বাবে তেওঁ

অসমীয়া ভাষাটোৰ লগতে শংকৰদেৱৰ গীত-মাত, ওজাপালি নৃত্য গীত, দেহ বিচাৰৰ গীত, লোক গীত আদিৰ ছন্দ, সুৰ, তাল আদি ভালদৰে শিকি লৈ অসমীয়া সমাজখন বিশ্লেষন কৰি দেখিলে যে নৱ-বৈষ্ণৱ ধৰ্মৰ তত্বৰ লগত ইছলাম ধৰ্মৰ মূল ধাৰণা সমূহৰ বহুতো ক্ষেত্ৰত মিল আছে । সেয়েহে নৱ-বৈষ্ণৱ ধৰ্মৰ মূল তত্ত্বসমূহ আয়ত্ব কৰি অসমীয়া জিকিৰৰ মাধ্যমেৰে ইছলাম ধৰ্মৰ নিষ্কাম ভক্তি আৰু সেই ধৰ্মৰ বিশেষত্বক গুৰুত্ব আৰোপ কৰে । নিৰাকাৰ ঈশ্বৰৰ ধ্যান ধাৰণা বৈষ্ণৱ কাব্যৰ মূল দৰ্শনৰ দৰে ইছলামৰ মূল দৰ্শনৰ সংমিশ্ৰণ ঘটাই লগতে সম্প্ৰীতিৰ এনাজৰীডালো যাতে ভৱিষ্যতলৈও কটকটীয়া হৈ থাকে তাৰ বাবে আজান ফকীৰে থলুৱা গীত-মাত, অসমীয়া দেহ বিচাৰৰ গীত, বৰগীত, লোকগীত আদিৰ সুৰেৰে আৰু ইছলাম দৰ্শনেৰে জিকিৰ সমূহ ৰচনা কৰিছিল । আজান ফকীৰে বেছিভাগ জিকিৰ চূণপোৰাতহে ৰচনা কৰিছিল । তেওঁৰ জিকিৰত অসমীয়া নাম কীৰ্ত্তনৰ সুৰ দেখা যায় । " হিন্দু কি মুছলমান একে আল্লাৰ ফৰমান।" বুলি গোৱা জিকিৰ সমূহ অসমৰ সাম্প্ৰদায়িক সমন্বয়ৰ অতুলনীয় নিদৰ্শন ।

অসমীয়াৰ পূৰ্বতে তেওঁ ফৰাচী, আৰবী আৰু উৰ্দু ভাষা ভালদৰে জানিছিল, সেই বাবে অসমীয়া ভাষা বিশেষভাৱে আয়ত্ব কৰিলেও তেওঁ ৰচনা কৰা জিকিৰ সমূহ ফৰাচী বা উৰ্দু ভাষাত লিখিছিল আৰু সেয়েহে আজিলৈকে আজান ফকীৰৰ অসমীয়া ভাষাত লিখা কোনো আখৰ পোৱা হোৱা নাই । আহোম ৰজা গদাধৰ সিংহৰ বিষয়া বৃপাই দা-ধৰা নামৰ অসমীয়া মুছলমান ব্যক্তিজনে আজান ফকীৰৰ ক্ৰমান্বয়ে বাঢ়ি অহা জনপ্ৰিয়তাৰ বাবে ঈৰ্ষান্বিত হৈ পৰে আৰু সম্ভৱত ১৬৮৫ চনত বৃপাই দা-ধৰাই স্বৰ্গদেউ গদাধৰ সিংহৰ ওচৰত গোচৰ তৰে যে আজান ফকীৰ এজন মোগলৰ চোৰাংচোৱা আৰু তেওঁ গোপনে মোগলৰ সৈন্যৰ লগত যোগাযোগ ৰাখি আছে । গদাধৰ সিংহই প্ৰথমতে গোচৰটো আওকান কৰিছিল যদিও বহুবাৰ আপত্তি কৰাৰ পাছত তেওঁ বৃপাই দা-ধৰাক নিজে বিবেচনা কৰি বিহিত ব্যৱস্থা লবলৈ অনুমতি দিয়ে, লগতে এই বুলিও সকিয়াই দিয়ে যে ইয়াৰ দ্বাৰা মুছলিম অনুভূতিত যাতে কোনো ধৰণৰ আঘাত নালাগে আৰু আহোম ৰাজত্বৰ প্ৰতি যেন কাৰো ভুল ধাৰণা নজন্মে । ৰজাৰ আদেশে পাই বৃপাই দা-ধৰাই আজান ফকীৰক ধৰি আনে আৰু চকু দুটা উলিয়াই পেলোয় । আজান ফকীৰৰ লগত বৃপাই দা-ধৰাৰ শত্ৰুতাৰ কাৰণ জনা নাযায় যদিও সম্ভৱতঃ প্ৰচুৰ জনপ্ৰিয়তা আৰু সাধাৰণ জনসাধাৰণৰ ওচৰত প্ৰভাব দেখি বৃপাই দা-ধৰাই শত্ৰুতা কৰি মোগলৰ গুপ্তচৰ বুলি অভিযোগ কৰি আজান ফকীৰৰ চকু কাঢ়িবলৈ নিৰ্দেশ দিয়ে । কথিত আছে যে এই ৰাজ আজ্ঞা মানিলৈ আজান ফকীৰে দুহাতে মলা চৰু লৈ আল্লাৰ ওচৰত প্ৰাৰ্থনা কৰাত তেওঁৰ নজৰ ( চকু ) সুলকি পৰে । ফলত আজান ফকীৰ চিৰদিনৰ বাবে দৃষ্টিহীন হৈ পৰে ।

এজন নিৰ্দোষ, সাত্ত্বিক সাধক ফকীৰৰ প্ৰতি কৰা অন্যায়ৰ প্ৰতিক্ৰিয়া স্বৰূপে ৰাজ্যত ভয়ংকৰ বানপানী হয় আৰু নানান অপায় অমংগলে দেখা দিয়ে।

জিকিৰত আছে -

যেতিয়া নজৰক দিখৌ নৈত পেলালে

দিখৌ নৈ উভতি বয়।

যেতিয়া নজৰক দিখৌ নৈত পেলালে

নগৰত চৰা নাও খেলায় ।।

নগৰত চৰা নাও চলিলে, হোলোং ঘৰ কাটি হৈ পৰিল। পিছত ৰজাৰ আদেশক্ৰমে হাতীবৰুৱাই নগৰৰ চৌদিশ ভ্ৰমণ কৰি আহি ৰজাক জনালেহি -

নগৰৰ চাৰি চুক ফুৰি সি বৰুৱাই

কতো নেদেখিলে বাম।

আজানৰ দুভায়ে কোৰাণ পৰিলে

সেইখিনিতে দেখিলে বাম ।।

ৰজাই যেতিয়া ফকীৰৰ মাহাত্ম্য বুজি পালে তেতিয়া এনে দুৰ্ভাগ্যজনক কাৰ্যৰ বাবে অনুতাপ কৰি দিখৌ নদীৰ পাৰত শৰাগুৰি চাপৰি নামৰ ঠাইত মঠ সজাই দিলে।

শৰাগুৰি চাপৰি দিখৌ নৈৰ কাষৰি

ৰজাই সজাই দিলে মঠ।

ছকুৰি ভকতে লয় আল্লাৰ নাম

মাদুৰি বনৰে কাঠ ।।

শৰাগুৰি চাপৰিতেই ১২০ জন শিষ্যৰ সৈতে আজান ফকীৰে ইছলাম ধৰ্মৰ তত্ত্ব সম্বলিত জিকিৰ ৰচনা কৰি সেইবোৰত সুৰলা সুৰ লগাই ভকতবৃন্দৰ লগত শান্তিপূৰ্ণভাৱে সাত্বিক জীৱন যাপন কৰে। আনুমানিক ১৬৯০ চনত তেওঁৰ মৃত্যু হয়।

অসমীয়া জিকিৰ :

বাৰকুৰি বৰগীত, তেৰকুৰি ফকৰাৰ দৰে, আঠকুৰি জিকিৰ অসমীয়া ভাষাৰ অমূল্য সম্পদ। জিকিৰ সমূহৰ লগত আজান ফকীৰৰ নাম ৰচক ৰূপে জৰিত হৈ আছে। শংকৰোত্তৰ যুগত আজান ফকীৰ প্ৰমূখ্যে

কবোজনো ধৰ্মপ্ৰাণ মুছলমানে ৰচনা কৰা ভক্তিমূলক জিকিৰি গীতসমূহ অসমত মুছলমান সমাজত ইছলাম ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে ৰচিত হৈছিল। প্ৰায়বোৰ জিকিৰি গীতত ৰচকৰ নাম থাকিলেও জিকিৰিবোৰ প্ৰথম অৱস্থাত লিখিত ৰূপত নাছিল । পুৰুষানুক্ৰমে মুখে মুখে এই জিকিৰিবোৰ চলি আছিল । কুৰিশতিকাৰ মাজভাগতহে জিকিৰিসমূহ লিখিত আকাৰে প্ৰকাশ পায়।

১৯৫৪ চনত শিৱসাগৰৰ মহিবুল হুছেইনে ভালেখিনি জিকিৰি সংগ্ৰহ কৰি পুথি আকাৰে প্ৰকাশ কৰিছিল। ইয়াৰ পিছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ Folklore Research Scheme অৰ তত্ত্বাৱধানত ছয়েদ আব্দুল মালিকে শতাধিক জিকিৰি সংগ্ৰহ কৰি ১৯৫৮ চনত গ্ৰন্থাকাৰে প্ৰকাশ কৰে।

জিকিৰিৰ প্ৰধান ৰচক আজান ফকীৰ। প্ৰবাদ আছে অকল আজান ফকীৰে ৰচনা কৰা জিকিৰিৰ সংখ্যা আঠকুৰি। আজান ফকীৰৰ উপৰিও চান্দসাই, শ্বেখ ফৰিদ, মজনুদিল ফকীৰ, মুনীয়া দৰ্ৱান, বান্দৰ ফকীৰ, ছয়েদ মুৰতাজা, গোলাম হুছেইন, বেথোই গোৱাল, হৰিদাস আদিয়ে ৰচনা কৰা জিকিৰি পোৱা যায়। তেওঁলোকে ৰচনা কৰা জিকিৰিৰ ভনিতাত নাম উল্লেখ আছে।

জিকিৰি শব্দটো আৰবী "জিকিৰ" শব্দৰ পৰা আহিছে যাৰ শব্দগত অৰ্থ স্মৰণ কৰা, উল্লেখ কৰা, আল্লাৰ নাম, গুণ বা প্ৰশংসাৱলী পুণঃ পুণঃ উচ্চাৰণ কৰা। সাধাৰণ অৰ্থত যিকোনো কথাৰ পুণঃ পুণঃ উল্লেখকে জিকিৰি কৰা বুলি কলেও জিকিৰিৰ বিশেষ অৰ্থ আল্লাহৰ নাম স্মৰণ কৰা, বিশেষকৈ পুণ্যাৰ্থে বা আত্মশুদ্ধিৰ কাৰণে ঈশ্বৰৰ নাম সুঁৱৰি ধৰ্মীয় জীৱন যাপন কৰা বুজায়। অন্যান্য ধৰ্মৰ দৰে ইছলামতো আল্লাহৰ নাম মাহাত্ম্য সুৱৰিলে আত্ম-শুদ্ধি আৰু পুণ্যৰ পথত অগ্ৰসৰ হোৱা যায় বুলি মুছলমানসকলৰ বিশ্বাস।

অসমীয়া জিকিৰিবোৰক বিষয় বস্তুৰ ফালৰপৰা ঘাইকৈ তিনিটা ভাগত ভাগ কৰিব পাৰি প্ৰথমে ইছলাম ধৰ্মৰ বিষয়ে অনভিজ্ঞ সাধাৰণ মুছলমানক ইছলামৰ মূল আদৰ্শ ৰীতি-নীতি আদিৰ বিষয়ে শিক্ষা দিবৰ কাৰণে ৰচনা কৰা জিকিৰি, দ্বিতীয়তে ইছলামীয় আধ্যাত্মিক তত্ত্বৰ জ্ঞান দিবৰ বাবে ৰচনা কৰা জিকিৰি আৰু তৃতীয়তে দেহ তত্ত্ব সম্পৰ্কীয় জিকিৰি । কিন্তু এই তিনিও প্ৰকাৰৰ জিকিৰিৰ মূল উদ্দেশ্য হ'ল আল্লাহৰ তওহীদ বা একত্ব প্ৰকাশ কৰা। জিকিৰি সমূহীয়াকৈ গোৱা হয় আৰু লোকগীতৰ দৰেই ইয়াৰ প্ৰকাশ ভংগী সহজ সৰল। জিকিৰি গীত পৰিবেশৰ ক্ষেত্ৰত থলুৱা লোকবাদ্য, দোতাৰা, বাঁহী, টোকাৰী, বীণ আদিৰ ব্যৱহাৰ কৰা হয়। বহি বহি গোৱাৰ লগতে জিকিৰি নাচি নাচি হাত চাপৰি বজাই, তাল ৰাখি বৃত্তাকাৰে ঘুৰি গোৱাৰ ৰীতিও প্ৰচলিত আছে।

চুফী দৰ্শণ :

চুফীবাদক এটা শব্দত প্ৰকাশ কৰিব নোৱাৰি। ইয়াৰ পৰিসৰ অতি বৃহ□ । চুফীবাদ হৈছে এক মাইস্তিজিম যাক কোৱা হয় তাচাউফ। চুফী সাধকসকলে কয় যে আল্লাহ তা'লাক পাবলৈ সাধনা কৰিব লাগে। সাধাৰণ জীৱন যাপন, অনবৰতে জিকিৰি, নামাজ, উপবাস আদি কৰিব লাগে।

আজান ফকীৰ এগৰাকী চুফী সাধক আছিল। তেওঁ দিল্লীৰ হজৰত নিজামুদ্দিন আউলিয়াৰ শিষ্য আছিল। চুফী সাধন পন্থাত গুৰু শিষ্যৰ পৰম্পৰা অপৰিহাৰ্য।

আত্মা কি? মৃত্যুৰ পিছত ৰুহ ক'ত যায় এয়া জটিল প্ৰশ্ন। আজান ফকীৰে এই বিষয়ত ইমাম গাজ্জালীৰ মতকহে অনুসৰণ কৰিছে। জিকিৰিত ৰুহ বা আত্মাক মনুৰাই, জীউ, আত্মা আৰু ৰুহ এই চাৰিটা শব্দৰে বুজাবৰ যত্ন কৰিছে। আত্মাক সজাৰ 'মইনা' বুলি সুন্দৰকৈ বৰ্ণনা কৰিছে।

আজান ফকীৰৰ জিকিৰিত আব, আতচ, খাক, বাদৰ কথা বহু ঠাইত পোৱা যায়। ভাৰতীয় দৰ্শনত ক্ষীতি, অব, মৰুত আৰু ব্যোম বুলি পঞ্চভূতৰ উল্লেখ আছে। গ্ৰীক দৰ্শনৰ ভিত্তিত আৰবীয়ান দাৰ্শনিকসকলে চাৰিটা মূল পদাৰ্থৰ ওপৰত বিশ্বাস কৰে। আব-পানী, আতচ-জুই, খাক-মাটি আৰু বাদ-বায়ু। আজান ফকীৰেও চাৰি পদাৰ্থক মূল বুলি গ্ৰহণ কৰিছে -

আব, আতচ, খাক, বাদ
চাৰি চিজে দুনীয়াই।

ইয়াৰ লগত ভাৰতীয় দৰ্শনৰ সংমিশ্ৰণ ঘটি সোণত সুৱগা চৰাইছে।

অসমীয়া ভাষা সাহিত্যৰ বুৰঞ্জীত আজান ফকীৰে জিকিৰিৰ সংযোগ কৰিলে। জিকিৰিবোৰত চুফী দৰ্শন নিহিত হৈ আছে -

হজৰত আজান পীৰ
সত্যাশ্ৰয়ী মহান ধৰ্মবীৰ
জন্মভূমি সুদূৰ বাগদাদ
এৰি আহি অসম ভূমিত
সত্য ধৰ্ম প্ৰচাৰি
বোৱাবলৈ শান্তিৰ নীৰ
অসমীয়া ভাষাত ৰচিলা
অলেখ সুকীয়া জিকিৰি।

ইছলামৰ ধৰ্ম তত্ত্বসমূহ প্ৰকাশ পাইছে । জিকিৰিত প্ৰথমতে ঘোষা আৰু পাছত পদ থাকে নাম কীৰ্তনৰ দৰে সকলোৱে গাব পাৰে । জিকিৰিবোৰত আল্লাহ, ৰছুল, কলিমা, নামাজ, ৰোজা, হজ, জাকাত আদিৰ লগতে ৰহস্য গূঢ়াৰ্থ তত্ত্বসম্ভলিত ভাৱ তথা চুফী সাধনাৰ কথাও আছে । জিকিৰিত চুফী দৰ্শন উদ্ঘাটন কৰিবলৈ হ'লে এইবোৰ বিশ্লেষণৰ প্ৰয়োজন । অন্যান্য চুফী সাধকৰ দৰে আজান ফকীৰেও আল্লাহ আৰু ৰছুলৰ ওপৰত বিশ্বাস অনাৰ কথা কৈছে । বৈষ্ণৱ ধৰ্মত যদিৰে "বিশ্বাসে মিলিয় হৰি" বুলি কোৱা হৈছে, একেদৰেই ইছলামতো বিশ্বাসক দৃঢ় কৰিবলৈ কোৱা হৈছে । কলিমাৰ ওপৰত ইমান অনা প্ৰয়োজনীয় ।

কলিমাৰ নাম সাৰ্থি

আল্লা জীউৰ লগে যায়,

কলিমা হককিত, কলিমা চৰিয়ত

কলিমা পঢ়িবি পায় ।

অন্যান্য চূফী সাদকৰ দৰে আজান ফকীৰেও আল্লাহৰ স্বৰূপ সম্পৰ্কে যি কৈছে তাত চুফীবাদী দৰ্শণ প্ৰতিধ্বনিত হৈছে-

আল্লা কাদিৰ কামাল

চাহেবে কাদিৰ কামাল ।

মাজ সাগৰত পৰিছো

বান্দাক কৰিবা আচান ।

মাৱৰ চাৰি, বাপৰ চাৰি

আল্লাৰ লোৱা দেহ ।

ওঠৰ মোকামৰ মজে পীয়ে মধুৰ ৰস

ওঠৰ মোকামৰ মাজে কোন মোকাম জ্বলে,

তেলে নাই শলিতা নাই,

সদায় প্ৰদীপ জ্বলে ।

আল্লাহ পৰম জ্যোতি সেই কথা তেলো নাই, শলিতাও নাই বোলা কথাষাৰৰ জৰিয়তে প্ৰকাশ পাইছে। নিৰাকাৰ আল্লাহৰ স্বৰূপ মানৱ দেহৰ বিভিন্ন মোকামৰ জৰিয়তে প্ৰকৃত সাধকে উপলব্ধি কৰিব পাৰে ।

সৃষ্টকিৰ্তাই হজৰত আদমৰ যোগেদি মানুহক আল্লাহৰ নুৰৰ অধিকাৰী কৰিলে। নিজৰ সৃষ্টিৰ দাপোনত আল্লাই নিজকে চালে।

নুৰে মহম্মদী আল্লাৰ পয়দা
দুনীৰ অধিকাৰী স্বামী,
আদম চফিউল্লা সবাৰে ইমাম
দমৰ পয়দাচী আমি।
ধমে আদমক খাটনি ধৰিবি,
নুৰৰ চাই যাবা ৰং।
আবে আতচে এই খাকে এই বাদে
চাৰিও থাকে চাৰি ভাগে,
যাব লাগিছে জগৰা দুনীলৈ
সৃষ্টি বাঢ়িব লাগে।
চাৰিটি চিজিৰে চাৰিটি আত্মা
চাৰিয়ে ইমাণক লয়।
চাৰিটি চিজিক দমত ৰাখি লৈ
আল্লাৰ চিজিদা হয়।

হজৰত মহম্মদ (ছ:) আল্লাহৰ নুৰৰ প্ৰথম অধিকাৰী। আদি মানৱ আদম (আ:) ৰ ওচৰত এই নুৰ গচ্ছিত ৰাখিছিলি। বায়ু, পানী, মাটি, জুই এই ভূত সমূহৰে গঠিত নৰ দেহত আল্লাহৰ নুৰ এক অপাৰ্থিব আশীৰ্বাদ। আত্মাৰ অৱস্থান দেহৰ ভিতৰত যদিও ই সদায় উৰ্দ্ধমুখী। যি আল্লাহৰ নুৰৰ জ্যোতিৰে উদ্ভাসিত। আল্লাহৰ নুৰৰ পৰাই জগ□ সৃষ্টি গতিকে সেই নুৰ বা জ্যোতিৰ সন্ধানত জীৱই উৰ্ধমুখী গতি বিচাৰে।

পবিত্ৰ কোৰানৰ ওপৰত বিশ্বাস অনাটো ইমানৰ প্ৰধান অংগ বুলি জিকিৰিত কৈছে -

বহেজোল কোৰান
তামামৰ ইমান
আছে কলমিাক লৈ
চৈধ্য তাকত বিচাৰি আহাগৈ

মুৰ্চদিৰ পাৱতে থৈ।

ইছলামৰ মূল গ্ৰন্থ কোৰাণ সম্পৰ্কে জানিবলৈ হ'লে মুৰ্চদি বা গুৰুৰ ওচৰত শিক্ষা লব লাগে। কলিমাৰ ওপৰত ইমান অনাটো প্ৰধান কৰ্তব্য। গুৰু শিষ্যৰ পৰম্পৰা চুফী পন্থাৰ অন্যতম দিশ। প্ৰকৃত গুৰুৰ পৰা স□ জীৱনৰ শিক্ষা লৈ মহ□ জীৱনৰ উপলব্ধি কৰিব পাৰি।

স□ গুৰুক ভেটিবা

আল্লাক চিনিবা

সজিব দিনিৰে কাম।

স□ গুৰুৰ ওচৰত দীক্ষা লৈ জিকিৰিৰ দ্বাৰা মানুহে ভৱনদী তৰিব পাৰে।

জীউ তৰিবলৈ যাৰে মন আছে

আল্লাৰ নামকে ধৰ।

আল্লাহ সত্য। সত্যৰ বাহিৰে অন্য গতি নাই। আল্লাহৰ ওপৰত ভৰসা কৰাই প্ৰকৃত ধৰ্ম।

আল্লাহ সৰ্বব্যপী বিৰাজমান, পৰিদৃশ্যমাণ জগতৰ সকলোতেই খোদাৰ অস্তিত্বৰ কথা চুফী দৰ্শণে স্বীকাৰ কৰে। আজান ফকীৰৰ জিকিৰত প্ৰকাশ পাইছে -

আল্লাৰ নাম সাৰথি

যি ঠাইলৈকে চলোম যোগায়

তাতেই খোদাই।

ভৱসাগৰৰ পানীত সোণ কমাব লাগিলে দেহে আৰু আত্মাৰ স্বৰূপ বুজি পোৱাটো প্ৰয়োজনীয়। মানৱ দেহৰ মাজতেই আস্মান, জমিন লুকাই আছে। সাধনাৰ বলেৰে ভক্তিৰ পৰাকাষ্ঠাৰে আত্মাক আল্লাহৰ সমীপৱৰ্তী স্থানলৈ উন্নীত কৰিব পাৰি।

আকলৰ দৰিয়াত পৰি তিলে গলো

তৰিবিৰহে নপোলো চিনি।

চুফী পন্থীসকলৰ প্ৰকৃত বিশেষত্ব হ'ল আনৰ প্ৰতি শ্ৰদ্ধা, ভক্তি, স□ আচৰণ, সহানুভূতি, উদাৰতা, সহযোগিতা আদি। এই আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈয়ে জিকিৰত গাইছে-

মোৰ মনত আন ভাৱ নাই ঔ আল্লা

মোৰ মনত নাই আন ভাৱ।

হিন্দু কি মুছলমান একে আল্লাৰ ফৰমান

আখৰোতত একে আল্লাৰ নাম ।

হিন্দুক জ্বলাব মোমিনিক গাঢ়িবি

খাকৰ তন খাকত মিলিবি ।

ইছলাম ধৰ্মৰ সহিষ্ণুতা আৰু উদাৰতা চুফী দৰ্শণৰ তত্ব বিলাই গৈছে অসম বাসীৰ মাজত । চুফীবাদ হৈছে প্ৰেমৰ জৰিয়তে ধৰ্ম সাধন পন্থা। মানৱ প্ৰেমৰ মাজতে আছে স্ৰষ্টাৰ লগত মিলনৰ আনন্দৰ আভাস । মানৱ ধৰ্মৰ মাজতেই যে ধৰ্মৰ সকলো সাৰ বস্ত লুকাই আছে তাক জিকিৰিত কৈছে-

নীতি ধৰম আচৰণ প্ৰৱৰ্তণ

মনতে মহন্তৰ সংগ ।

সন্তজনেৰে পিৰিতি কৰিছো

পিৰিতি মহা ধৰম ।

এই সংসাৰখন যে অস্থায়ী ঘৰ তাক সুন্দৰকৈ সোঁৱৰাই দিছে জিকিৰিৰ মাজেৰে ।

এই ঘৰে ঘৰ নহয় ।

আৰু ঘৰ আছে

আল্লাই বনাই থৈছে মাটিৰে কবৰ ।

চুফীবাদৰ মূল ভিত্তি ইছলাম, কিন্তু চুফী সাধন মাৰ্গৰ ক্ষেত্ৰত অন্তৰ্গত, হৃদয়, আত্মগোপন আৰু আল্লাহ প্ৰেমত নিমিজ্জন এই পথৰ আহিলা । প্ৰকৃত চুফীৰ কাৰণে ধৰ্মৰ আনুষ্ঠানিকতাৰ বিশেষ প্ৰয়োজন নাই । হৃদয়ৰ বিকাশ আৰু বিস্তাৰেই এই পথত সাফল্য লাভৰ ওপায় । সাধনাৰ শীৰ্ষ বিন্দুত ধ্যানী আৰু ধ্যেয়ৰ মাজত যেতিয়া ব্যৱধান লোপ পায়, মই আৰু তুমি এক হৈ পৰে, স্থান আৰু কালৰ সীমা নোহোৱা হৈ পৰে আৰু এই দেহৰ সীমাত আৱদ্ধ থাকিও মানৱাত্মা দেহাতীত এক পৰম ৰসলোকৰ সান্নিধ্য লাভ কৰিবলৈ সক্ষম হয় । আত্মগোপন চুফীসকলৰ বিশেষ বৈশিষ্ট্য । প্ৰকৃত চুফীৰ অলংকাৰ হৈছে বিনয় আৰু গৰ্বহীনতা ।

আটা ফকিৰি নহয় বোপা ফকিৰি নহয়

নহওঁ ফকিৰিৰ বাছা ।

প্ৰকৃত সাধকে নজিক কতেয়িাও সাধক বুলি কৈ নুফুৰে ।আজান ফকীৰেও চুফী দৰ্শণক গুৰুৰ সহায়ত বুজি লৈ আধ্যাত্মসাধনাৰ পথ প্ৰশস্থ কৰি আল্লাহৰ তওহদিত বশি্বাস ৰাখি স□ভাৱে ধৰ্মীয় জীৱন যাপন কৰাৰ উদ্দশে্যৰে চুফী দৰ্শণৰ তত্ত্বক জকিৰিৰ মাজেৰে আগবঢ়াইছে-

হক নামে কলমিা

পাক নামে পীড় ।

আল্লাৰ জকিৰি ঔ

আল্লাৰ জকিৰি ।।

আজান ফকীৰে অসমীয়া জকিৰিত ওখ ভাৱক, ওখ আদৰ্শক, চুফী দৰ্শণৰ ৰহণ সানি স্থানীয় সুৰেদি সুৰীয়া গীতেৰে নতুনত্ব প্ৰদান কৰিছে । তওঁৰ চুফী দৰ্শণে আনকি সৰ্বধৰ্মৰ মানুহকহৈ এক সম্প্ৰীতৰি ডোলেৰে সাঙুৰি লিছে ।সয়েহে তওঁ গাব পাৰিছিলি হন্দিু কি মুছলমান, একে আল্লাৰ ফৰমান ।


সহায়ক গ্ৰন্থ পঞ্জী :

১৷ ছয়দে আব্দুল মালকি : জকিৰি আৰু জাৰী (সম্পাদনা)

২৷ মহশে্বৰ নওেগ : অসমীয়া সাহত্যিৰ ৰূপৰখো

৩৷ সত্যন্দে্ৰনাথ শৰ্মা : অসমীয়া সাহত্যিৰ সমীক্ষাত্মক ইতবিৃত্ত

৪৷ মহন্দে্ৰ বৰঠাকুৰ : শৰাগুৰি চাপৰি

৫৷ জয়ন্ত মাধৱ বৰা : আজান ফকীৰ

৬৷ সৰ্বানন্দ ৰাজকুমাৰ : ইতহিাসে সোঁৱৰা ছশটা বছৰ

৭৷ দলিুৱাৰা বগেম : আজান ফকীৰ, অগ্ৰদূত, ১৫ জুন ২০০৩